আপুতানিয়ে কৈছে পিতাই সৌতত নমৰে নত নমৰে
কাঠতোকাই সাজি দিয়া নাৱত উঠি
পিতায়ে ধনমপুতৰৰ পাৰত ধুনীয়া ধুনীয়া ঘৰ সাজিব
আমি তাতেই থাকিম তাতেই থাকিম অ' মিছলীয়া থাই
মিছলীয়া অ' মিছলীয়া থাই তোৰ কথাত ভোল নাযাওঁ...

সুৰ ঃ নিনামে আকৌ সাৰ পায়।
চোতালত উমলি থকা
নোদোকা পাহৰি পোৱালি কেইটা দেখি তাই হাঁহে,
আইতাকে কোলাত তুলি অনা পাহৰি পোৱালিটো এৰি
তাইক আলফুলকৈ তুলি লয়।
তাই আইতাকৰ কঁৰখা ফুল খিনিৰ সিপাৰলৈ ৰ লাগি চায়,

সৌন্দৰ্য কি নদী অ' আইতা

১ আমি পুৰুষ আপুতানিৰ পৰাই মানুহৰ উৎপত্তি হুলি বিশ্বাস।
২ পানীৰ নিজৰাও নিজৰা, চকুৰ নিজৰাও নিজৰা।

# জুইখেল

## জীৱন নৰহ

জুই গিলি বৈ আছে এদল মানুহ
বৈ থকাৰ সিপাৰে ছাই আৰু ছাই

ছাই ভেই মাটি ফুটি ফুলিছে
অকলশৰীয়াকৈ ফুলা এপাহ ফুল

ছাইৰ মাজত এপাহ ফুল
টিকটিককৈ ৰঙা
আজিকালি মানুহৰ মন জুৰাবলৈ উপযাচি বসন্ত নাহে
বসন্ত আহে নিয়ম নেওচি নিজৰ খেয়ালত

বাস্তৱত জুই গিলি জীয়াই থাকিবলৈ শিক